**REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 04-12-2025 Time : 1100 Hrs.

0000000000

অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ পৰা পোৱা গোপন তথ্য মৰ্মে ৰাজ্যৰ গৃহ বিভাগে তিনিটা জেহাদী সংগঠনক নিষিদ্ধ ঘোষণা কৰিছে। গৃহ বিভাগে জাৰি কৰা নিৰ্দেশনা অনুসৰি জামাত-উল-মুজাহিদিন বাংলাদেশ, আনছাৰুল্লাহ বাংলা টীম আৰু অল কায়দাৰ সৈতে জড়িত আনছাৰ-অল-ইছলাম নামৰ সন্ত্ৰাসবাদী সংগঠনকেইটাক নিষিদ্ধ ঘোষণা কৰা হৈছে। একেদৰে ৰাজ্যৰ ন্যায়িক বিভাগে ২৬ নৱেম্বৰত প্ৰকাশ কৰা অনুসৰি অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাই এই সংগঠনকেইটাৰ গোপন যোগাযোগক লৈ আপত্তিজনক তথ্য আৰু সূত্ৰ লাভ কৰিছে। এই অনুসৰি সংগঠনকেইটাই কোনোধৰণৰ প্ৰচাৰ মাধ্যমেৰে কৰা প্ৰচাৰ ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ৯৮ ধাৰা অনুসৰি অপৰাধ হিচাপে গণ্য কৰা হ'ব।

0000000

———যোৰহাট-মাজুলী সংযোগী দলংখন ২০২৮ চনৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি কালি ৰাজ্যসভাত কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে যোৱা ৬ অক্টোবৰত দলংখনৰ নিৰ্মাণৰ দায়িত্ব নতুন নিৰ্মাণকাৰী সংস্থাক অৰ্পণ কৰা হৈছে। ৰাজ্যসভাৰ প্ৰশ্নোত্তৰ কালত অগপৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই উত্থাপন কৰা প্ৰশ্নৰ উত্তৰত শ্ৰী গাডকাৰীয়ে কয়, যে ২০২১ চনৰ ৯ জুলাইত আৰম্ভ হোৱা দলংখনৰ নিৰ্মাণকাৰ্য চলিত বছৰৰ ৮ জুলাইত সম্পূৰ্ণ হোৱাৰ কথা আছিল, কিন্তু নিৰ্মাণকাৰ্য প্ৰায় ৩০ শতাংশ সম্পন্ন হোৱাৰ পাছত পূৰ্বৰ ঠিকাদাৰে কাম বন্ধ কৰি দিয়াৰ বাবে তেওঁলোকক জৰিমণা দিয়া হয়। ইয়াৰ পাছতে যোৱা ২৯ মাৰ্চত দলঙৰ নিৰ্মাণকাৰ্য পুনৰ আৰম্ভ কৰাৰ বাবে এহেজাৰ ১৯ কোটি ১৭ লাখ টকা অনুমোদন জনোৱা হয়।

0000000

তেজপুৰ বিশ্ববিদ্যালয়ৰ শৈক্ষিক বাতাবৰণ সুস্থিৰ কৰি তোলাৰ বাবে শীঘ্ৰেই এগৰাকী ভাৰপ্ৰাপ্ত উপাচাৰ্য নিযুক্তি দিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক অনুৰোধ জনাইছে। যোৱা প্ৰায় আঢ়ৈ মাহ ধৰি বিশ্ববিদ্যালয়খনত চলি থকা অচলাৱস্থা সন্দৰ্ভত কালি মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় শিক্ষামন্ত্ৰীগৰাকীৰ সৈতে আলোচনা কৰে। বিশ্ববিদ্যালয়খনৰ বৰ্তমান উপাচাৰ্যগৰাকী দীৰ্ঘদিন ধৰি আঁতৰি থকাৰ পৰিপ্ৰেক্ষিতত তেওঁৰ বিৰুদ্ধে নিৰপেক্ষ তদন্ত চলি আছে যদিও ছাত্ৰ-ছাত্ৰীৰ যাতে ক্ষতি নহয় তাৰপ্ৰতি লক্ষ্য ৰাখি ভাৰপ্ৰাপ্ত উপাচাৰ্য নিযুক্তিৰ ব্যৱস্থা কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনাইছে। উল্লেখযোগ্য যে বিশ্ববিদ্যালয়খনৰ উপাচাৰ্যগৰাকীৰ বিৰুদ্ধে উত্থাপিত অনিয়মৰ অভিযোগ সন্দৰ্ভত ইয়াৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰীসকলে প্ৰতিবাদ অব্যাহত ৰাখিছে।

ইয়াৰ আগেয়ে তেজপুৰ বিশ্ববিদ্যালয়ত যোৱা প্ৰায় দুমাহ ধৰি সৃষ্টি হোৱা অচলাৱস্থাৰ অৱসান ঘটাবলৈ মঙলবাৰে সাংসদ অজিত কুমাৰ ভূঞাইও ৰাজ্যসভাত কেন্দ্ৰীয় শিক্ষামন্ত্ৰীক আহ্বান জনাইছিল। ১৯৯৪ চনৰ সংশ্লিষ্ট আইনৰ অধীনত প্ৰতিষ্ঠা হোৱা এই কেন্দ্ৰীয় বিশ্ববিদ্যালয়খনত সংঘটিত বিভিন্ন অনিয়ম সন্দৰ্ভত

বিশ্ববিদ্যালয়খনৰ ছাত্ৰ সম্প্ৰদায় আৰু শিক্ষক কৰ্মচাৰীসকলে প্ৰতিবাদ সাব্যস্ত কৰি কৰি অহাৰ পৰিপ্ৰেক্ষিতত বিষয়টো শীঘ্ৰেই নিষ্পত্তিৰ প্ৰয়োজন হৈছে বুলি তেওঁ উল্লেখ কৰিছিল। তেওঁ লগতে উপাচাৰ্যগৰাকী যোৱা প্ৰায় দুমাহ ধৰি বিশ্ববিদ্যালয়খনৰ পৰা আঁতৰি আছে আৰু তেওঁৰ কাম-কাজ সম্পৰ্কে অসম চৰকাৰে গঠন কৰা উচ্চ পৰ্যায়ৰ তদন্ত সমিতিয়েও কেতবোৰ গুৰুত্বপূৰ্ণ বিসংগতি ধৰা পেলাইছে বুলিও সদনত উল্লেখ কৰিছিল।

বিশ্ববিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশৰ অচলাৱস্থাক লৈ সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনে মত প্ৰকাশ কৰি কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰক শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ বাবে আহ্বান জনাইছে।

বাইট (সমীৰণ ফুকন)

০০০০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অনবদ্য অৱদান আৰু সৃষ্টি সম্ভাৰক বিশ্বজনীন কৰাৰ প্ৰয়াসেৰে কালিৰে পৰা ওড়িশাৰ পুৰীত অনুষ্ঠিত পুৰী মহোৎসৱৰ আজি সামৰণি পৰিব। দুদিনীয়া এই মহোৎসৱত অসমৰ ভালেসংখ্যক ব্যক্তিয়ে অংশ লৈছে। আজি  কেইবাটাও ধৰ্মীয় কাৰ্যসূচী ৰখা হৈছে। আজি হ'বলগীয়া পালনামত গুৱাহাটীৰ সাৰংগপাণি পাঠকে অংশ ল'ব। কালি পুৰীৰ শ্ৰীমন্ত শংকৰদেৱ নামঘৰ প্ৰাংগণত বৰপেটা সত্ৰৰ চম্পক দাসৰ জাগৰণৰ গীত পৰিৱেশনেৰে মহোৎসৱ শুভাৰম্ভ কৰা হয়। পুৱাৰ প্ৰসংগ সংগীত-নাটক একাডেমী বঁটাপ্ৰাপক ৰাজ্যৰ বিশিষ্ট সত্ৰীয়া শিল্পী গুণীন্দ্ৰ নাথ ওজাই পৰিচালনা কৰে। ইয়াৰ পাছতে  বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা সুন্দৰীদিয়া সত্ৰৰ সত্ৰাধিকাৰ নিৰ্মল অধিকাৰীয়ে মুকলি কৰে। ঔতলা সত্ৰৰ সত্ৰাধিকাৰ বাবুল চন্দ্ৰ ডেকাই মহোৎসৱৰ বাবে পৱিত্ৰ ভাগৱত বহন কৰে। ইয়াৰ পাছতে মুকলি সভা অনুষ্ঠিত হয়। মহোৎসৱ উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া ড° বাবুল চন্দ্ৰ দাসে উন্মোচন কৰে।

০০০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত গোৱালপাৰা জিলাক অভিলাষী জিলাৰূপে পৰিগণিত হোৱা সন্দৰ্ভত গোৱালপাৰাৰ জিলা আয়ুক্ত প্ৰদীপ টিমুঙৰ সৈতে হোৱা এটা সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিছে আমাৰ গোৱালপাৰা জিলাৰ সংবাদদাতা ৰছিদুল হুছেইনে। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

০০০০০০০

সংস্কৃত সাহিত্যৰ বিশিষ্ট সাধক, সাহিত্যিক পেঞ্চনপ্ৰাপ্ত মঙলদৈৰ উপহুপাৰা ২ নম্বৰ কলনীৰ নিবাসী মতিদেৱ শাস্ত্ৰীৰ কালি সন্ধিয়া মঙলদৈৰ এখন চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৮ বছৰ। গুৱাহাটীৰ মালিগাঁৱৰ নেতাজী ৰে'লৱে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হিচাপে অৱসৰ লোৱা শাস্ত্ৰীয়ে কেইবাখনো গ্ৰন্থ ৰচনা কৰিছিল। দৰং জিলা ব্ৰাহ্মণ সমাজৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰা শাস্ত্ৰীক কেইবাটাও বঁটা আৰু সন্মানেৰে বিভূষিত কৰা হৈছিল।

০০০০০০০

**সমাপ্ত**